কুশল কুমাৰ দাস



ভাষিক ষড়যন্ত্ৰৰে অসমীয়া ভাষাক প্ৰত্যাহ্বান

অসমৰ বাবে অশনি সংকেত

১৯৫২ চনৰ বাংলাদেশৰ ঢাকাত হোৱা ভাষা আন্দোলনৰ দৰে পৰিৱেশ এতিয়া নাই; কিন্তু ভাষা কোৱা লোকৰ বৰ্ধিত সংখ্যাৰ দৃষ্টিৰে ৰাজনীতি কৰাৰ সুবিধা নিশ্চয় আছে। অসমীয়া ভাষা বিদ্বেষীয়ে শিক্ষিত সংখ্যালঘু বুদ্ধিজীৱীক লগত লৈ ভাষিক ষড়যন্ত্ৰত নামি পৰিছে। অসমীয়া ভাষা-সংস্কৃতিৰ লগত আত্মিক সম্পৰ্ক নথকা এনে শিক্ষিত বুদ্ধিজীৱীয়ে অসমৰ অসমীয়া ভাষী লোকক শ'লঠেকত পেলাবলৈ বা আওপকীয়াকৈ চৰকাৰৰ বিৰুদ্ধে ভাষিক জেহাদৰ সূচনা কৰিবলৈ বিচাৰিছে। ২০২৬-ৰ জনগণনাত অসমীয়া ভাষা কোৱা লোক সংখ্যালঘুত পৰিণত হোৱাৰ ভয়ৰ পৰিৱেশ সৃষ্টি কৰিবলৈ আগতীয়াকৈ উঠি-পৰি লাগিছে। বাংলা ভাষা অসমীয়া তথা ওড়িয়া ভাষাৰো বেছি ওচৰ চপা। এই বিষয়ত বিভ্ৰান্তি সৃষ্টি কৰি লাভ নাই; বাংলা, ওড়িয়া বা অসমীয়া ভাষাৰ নিজা সুকীয়া বৈশিষ্ট্য আছে। ভাষাৰ জাত-পাত নাই; ভাষা কোৱা লোকৰ মাজতহে বিভেদ আছে। ভাষা কোৱা লোকৰ সংখ্যাৰ দৃষ্টিৰে যিকোনো ভাষাৰ মান নিৰূপণ নহয়। ভাষাৰ ব্যাৱহাৰিক দিশটোহে মূল কথা। অসমীয়া জাতি জীয়াই থকালৈকে অসমীয়া ভাষা থাকিব। ভাষা কোৱা লোকৰ সংখ্যা সময়ৰ লগে লগে তাৰতম্য ঘটা স্বাভাৱিক। অসমৰ জনসংখ্যাৰ দৃষ্টিৰে অসমীয়া মাতৃভাষা কোৱা লোকৰ সংখ্যা ২০২৬-ৰ জনগণনাত আশাব্যঞ্জক নহ'ব পাৰে; অসমীয়া ভাষা কোৱা লোকৰ জন্মৰ হাৰ কমি যোৱাৰ বাবে যদি জনগণনাত অন্য ভাষা প্ৰথম শাৰীলৈ আহে, তেতিয়া ৰাজনৈতিকভাৱে বিভিন্ন সমস্যা হ'ব। অসমত ক্ৰমান্বয়ে বহিৰাগত আৰু বিদেশীৰ জনসংখ্যা বৃদ্ধি হৈ আছে আৰু নাগৰিকত্ব তথা ভোটাৰ তালিকাতো নাম সোমাইছে। আমাৰ চিন্তনীয় বিষয় হ'ব পূৰ্বৰ জনগণনাতকৈ যদিহে অসমীয়াভাষীৰ বৃদ্ধিৰ হাৰ কমে; তেনে কথা সত্ত্বৰ হ'ব তেতিয়াহে, যেতিয়া অসমীয়াভাষী লোকৰ সংখ্যা ২০১১ চনৰ জনগণনাৰ পাছত বৃদ্ধি নহয়। একেবাৰে চৰম পৰ্যায়ত বৃদ্ধি নহ'লেও কমি গ'লেহে আচৰিত যেন লাগিব। জনসংখ্যা বৃদ্ধিৰ হাৰ কমি যোৱাৰ বাবে মাতৃভাষা অসমীয়াৰ সংকট আহিব বুলি ভবা অমূলক, কাৰণ কোনো বহিৰাগতেই অসমীয়া ভাষাক নিজৰ মাতৃভাষাৰ স্বীকৃতি নিদিয়ে। আমাৰ প্ৰধান সমস্যা হ'ব যদিহে বহিৰাগত বা বিদেশী মূলৰ ভাষা কোৱা লোকৰ জনসংখ্যা অসমীয়াতকৈ বেছি হয়। বিদেশীমূলৰ ভাষা-ভাষীয়ে ২০১১-ত ৰাজনৈতিক বা অন্য বেপেৰ্ৱা কাৰণত নিজৰ মাতৃভাষাক আঁতৰাই অসমীয়া মাতৃভাষা বুলি জনগণনাত উল্লেখ কৰিছিল। সেয়া অসমীয়া ভাষিক প্ৰীতি নহয়; 'এডেও দুডেও লোটা নিয়াৰ চেও'ৰ ছদ্মৰেশ ধাৰণ কৰি অসমৰ চৰণীয়া পথাৰত বৰপীৰা পাৰি বহাৰ অভিলাষ। তেনে কাৰণত ২০১১ চনৰ লোকপিয়লত অসমীয়াভাষী লোকৰ সংখ্যা আশাব্যঞ্জক আছিল। এইবাৰ সেইসকল সুবিধাবাদী বাংলাভাষীৰ চৰ্দাৰে সচেতনভাৱে নতুবা ৰাজনৈতিক উচটনিত ভাৰতীয় নাগৰিকত্বৰ সন্দেহজনক স্থিতি আৰু বৃহৎ জনসংখ্যাৰ সামূহিক গোট হৈ অসমীয়াভাষীক প্ৰত্যাহ্বান জনাবলৈ টঙালি বান্ধিছে। বাংলাভাষী অঞ্চলত অসমীয়া জাতিক শংকিত কৰিবলৈ মাতৃভাষা ইস্যু এটাৰে মুৰ দাঙি উঠিব বিচৰাসকল খিলঞ্জীয়াৰ পোছাকধাৰী শিক্ষিত সংখ্যালঘু। তেওঁলোকে ধৰ্মীয় দৃষ্টিকোণেৰে ওকালতি কৰে আৰু স্বাধীনোত্তৰ কালৰে পৰা এনে ভূমিকাৰে জাতি-বৰ্ণ-সংস্কৃতিৰ বৃহৎ অসমীয়া জাতিক সময়ে সময়ে প্ৰত্যাহ্বান জনায়। যিকোনো ভাষা এটা জাতিৰ প্ৰথমে মাতৃভাষা, তাৰ পাছত আন ভাষা-ভাষী লোকৰ দ্বিতীয় ভাষা, সংযোগী ভাষা, চৰকাৰী ভাষা, ব্যৱসায় তথা বিজ্ঞান-প্ৰযুক্তিৰ ভাষাও হ'ব পাৰে; সেয়া নিৰ্ভৰ কৰে ভাষাৰ চাহিদাৰ ওপৰত। বড়ো জাতিৰ কোনো লোকে মাতৃভাষা বড়োৰ সলনি অসমীয়াক মাতৃভাষা হিচাপে গণ্য কৰাটোত অসমৰ বাসিন্দা হিচাপে বিশেষ নতুনত্ব নাই; এনে উদাহৰণ বড়ো আন্দোলনৰ সময়লৈকে অসমৰ দক্ষিণ পাৰৰ বকো, ছয়গাঁও, গোৱালপাৰা, ৰাণী, বড়াগাঁও আদি অঞ্চলৰ বড়োৰ বাবে সম্ভৱ আছিল। কাৰণ, জাতিগতভাৱে বড়োসকলে যদিও বড়ো ভাষা নাজানিছিল; অসমীয়া ভাষাত সকলো কাম চলিছিল। এতিয়া জাতীয় সচেতনতাৰ বাবে বড়ো ভাষাৰ চৰ্চা বাঢ়িছে, অসমীয়া ভাষা তথা জাতিৰো উৎকৰ্ষ সাধন হৈছে। নিজৰ মাতৃভাষা বড়োৰ সলনি অসমীয়া বুলি কোৱাত নতুনত্ব দেখা নাপাওঁ যদিও ন-ভাৰতীয় বাংলাভাষী কোনো লোকে বিভিন্ন কাৰণত মাতৃভাষা অসমীয়া বুলি কোৱা কথাৰ লগত বড়োসকলে কোৱা কথাটো একে নহয়। কাৰণ, বড়ো বা মিচিং এজনে মাতৃভাষা বড়ো-মিচিং বা অসমীয়া কোৱাত বৃহৎ অসমীয়া জাতীয়তাবোধ শক্তিশালী হয়। কিন্তু বাংলাভাষীসকলে যিমানে শুদ্ধ অসমীয়া-বড়ো-মিচিং-গোৱালপৰীয়া-শিৰসাগৰীয়া আদি ভাষাত গীত-মাত, সাহিত্যত দখল নাথাকক কিয়, শিপাৰ পৰিচয় কেতিয়াও মচি পেলাব নোৱাৰে। কাৰণ, আমি মানুহে মানুহৰ পৰিচয় উদ্‌ঘাটন কৰা চাৰিত্ৰিক বৈশিষ্ট্য। শিল্প-সাহিত্য-সংস্কৃতিত অভাৱনীয় অৱদান আগবঢ়োৱা জ্যোতি-বিষুওৰ (যাক আমি আগশাৰীৰ

> বাংলা ভাষা অসমীয়া তথা ওড়িয়া ভাষাৰো বেছি ওচৰ চপা। এই বিষয়ত বিভ্ৰান্তি সৃষ্টি কৰি লাভ নাই; বাংলা, ওড়িয়া বা অসমীয়া ভাষাৰ নিজা সুকীয়া বৈশিষ্ট্য আছে। ভাষাৰ জাত-পাত নাই; ভাষা কোৱা লোকৰ মাজতহে বিভেদ আছে। ভাষা কোৱা লোকৰ সংখ্যাৰ দৃষ্টিৰে যিকোনো ভাষাৰ মান নিৰূপণ নহয়। ...



অসমীয়া হিচাপে গণ্য কৰোঁ) শিপাৰ পৰিচয় নজনাকৈ কিবা চৰ্চা কৰো জানো? এতিয়া আহিছোঁ সামাজিক মাধ্যমত দুদিনমানৰ পৰা অখ্যাত দগাবাজ কিছুমানে হাড়ে-হিমজুৰে অসমীয়া (জাতি-জনগোষ্ঠী সকলো)ক ভয় দেখুৱাবলৈ সংবাদমেল পাতি অকল ভাষাই নহয়, আনকি নামনি অসমখনক অস্বীকাৰ কৰি বাংলাদেশ বুলি ক'বলৈ মৰসাহ কৰি বক্তব্য ৰাখিছে। এনে ভয় দেখুৱাবলৈ কোনে চাবি পকাই আছে? তেনে লোককহে বিচাৰি উলিয়াবৰ প্ৰয়োজন। মুঠৰ ওপৰত অসমীয়া মানুহক ভয় দেখুৱাবলৈ এনে অপচেষ্টা কৰাসকলৰ পাছত কোনো দুষ্ট চক্ৰ জড়িত থকাটো নিৰ্ঘাত। জন্মসূত্ৰে যিটো ভাষাৰে শৈশৱ-বাল্যকাল পাৰ কৰিছে, মাকৰ কোলাত ভাষাটো সলসলীয়াকৈ কব পৰা হৈছে; সেই ভাষা মাতৃভাষা। জন্ম নিয়ন্ত্ৰণৰ পৰিকল্পনা নকৰা বা ষড়যন্ত্ৰমূলকভাৱে সংখ্যা বৃদ্ধি হোৱাত উদগনি জগোৱাসকলে অসমক বাংলাদেশ সজোৱাৰ ভয় দেখুওৱাটো একপ্ৰকাৰ বহুলালৰ বাদে একো নহয়। বিংশ শতিকাৰ ইয়াণ্ডাবু সন্ধিৰ আগলৈ আহোম ৰাজত্ব কালত অসমৰ বাবে প্ৰত্যাহ্বান আছিল মোগলক দেশৰ মাটিৰ পৰা খেদি পঠোৱা। মোগলে অসমত থিতাপি লৈ'ব নোৱাৰিলে, যদিও পৰৱৰ্তী কালত বাংলাদেশ আৰু ওচৰ চুবুৰীয়া দেশৰ পৰা অসম ক্ৰমান্বয়ে জীৱন-জীৱিকাৰ চৰণীয়া পথাৰ হ'বলৈ ধৰিলে। অসমীয়া হোৱাৰ ছদ্মৰেশ ধাৰণ কৰি বৃহৎ জাতি সত্তাক ভাঙি খানবান কৰাৰ গোপন অভিসন্ধি কেতিয়াও লুকাই নাথাকে। অসমীয়া জাতি আৰু অসমীয়া ভাষাক সনা-পিটিকা কৰি অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰিব গ'লে উজুটি খাব লাগিবই; লগতে অসমত বসবাস কৰা খিলঞ্জীয়া ভূমিপুত্ৰসকলক লৈহে অসমীয়াৰ সংজ্ঞা নিৰ্ধাৰণ কৰিব পাৰি। বহিৰাগত আৰু বিদেশীমূলৰ বাসিন্দাক সাঙুৰি লৈ অসমীয়াৰ সংজ্ঞা নিৰ্মাণ কৰিব গ'লে উজুটি খোৱা নিৰ্ঘাত। বিশুদ্ধ অসমীয়া আৰু সংমিশ্ৰিত অসমীয়াৰ দুটা ধাৰণাক কেতিয়াও আওকাণ কৰিব নোৱাৰিম। ভূপেন হাজৰিকাই গীতত সংমিশ্ৰিত অসমীয়াক ন-অসমীয়া বুলি অভিহিত কৰি গৈছে। এজন বাংলা মূলৰ লোক কেতিয়াও বিশুদ্ধ অসমীয়া হ'ব নোৱাৰে। যদিহে তেনে লোকে নিজৰ বাংলা ভাষা পাহৰি গৈছে আৰু উত্তৰপুৰুষে অসমীয়া, বড়ো, মিচিং বা যিকোনো খিলঞ্জীয়া ভাষা মাতৃভাষা হিচাপে দৈনন্দিন জীৱনৰ সহচৰী হয়, তেতিয়াহে বিশুদ্ধ অসমীয়াৰ শ্ৰেণীত সন্নিৱিষ্ট কৰিব পাৰি। সেইবাবে জ্যোতি-বিষ্ণু বিশুদ্ধ অসমীয়া হৈ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সমৃদ্ধিশালী কৰি শ্ৰেষ্ঠ অসমীয়াৰ শাৰীত অৱস্থান কৰি আছে। স্বাধীনোত্তৰ কালত বিহাৰী-নেপালী-মাৰোৱাৰী-পঞ্জাবী-চাহ বাগানৰ লোক আৰু বিদেশী মূলৰ বাংলাভাষীৰ মুষ্টিমেয় কিছুসংখ্যকহে বিশুদ্ধ অসমীয়াৰ শাৰীত অৱতীৰ্ণ হ'ব পাৰিছে। আমাৰ জনজাতীয় ভূমিপুত্ৰসকলে নিজৰ ভাষাৰ সমৃদ্ধি সাধন কৰাৰ উপৰি অসমীয়াক সংযোগী ভাষা হিচাপে সমৃদ্ধিশালী কৰা এক স্বাভাৱিক প্ৰক্ৰিয়া। বিদেশী বা বহিৰাগত মূলৰ কোনো লোকে অসমৰ অসমীয়া বা অইন কোনো ভাষাৰ মাধ্যমত যদিহে কোনো উল্লেখনীয় কাম কৰে, তেনে কামক ব্যতিক্ৰম সংযোজন বুলি গণ্য কৰিম। তেনে উদাহৰণ যথেষ্ট আছে। অসমীয়া জাতিৰ উৎকৰ্ষ সাধনত ব্ৰতী হোৱা সকলো অসমীয়া বুলি যদিহে মনে-প্ৰাণে বিচাৰে, তেতিয়াহে বৃহত্তৰ অসমীয়া জাতিৰ পৰিচয় সুদৃঢ় হ'ব। অসমীয়া জাতিক ভাঙি খানবান কৰি আধিপত্য বিস্তাৰ কৰিবলৈ বিচৰা বাহিৰা শক্তিৰ উত্থান কেতিয়াও সম্ভৱ নহ'ব। অসমীয়া জাতিক আটোমটোকাৰিকৈ বান্ধি ৰাখিবলৈ বৰ্তমান চৰকাৰৰ সম্মুখত বহু প্ৰত্যাহ্বান আহি পৰিছে। প্ৰথমতে ভূমিৰ অধিকাৰৰ বাবে সুস্থ নীতি প্ৰস্তুত কৰি নল'লৈ অদূৰ ভৱিষ্যতে অসমীয়াই অসমৰ মাটিত ভগনীয়া হ'ব লাগিব। এই কথা সুধাকণ্ঠই গীতত কৈ গৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ সকলো চৰকাৰে কেন্দ্ৰমুখী নিৰ্ভৰশীলতাক বেছিকৈ অগ্ৰাধিকাৰ দিয়াৰ প্ৰৱণতা কমাই দি নিজৰ দেশীয় স্বাভিমানক আগস্থান দিয়াৰ অভিমান যেতিয়াৰ পৰা আৰম্ভ হ'ব, তেতিয়াৰ পৰা আমাৰ ভাষা-সংস্কৃতি-সাহিত্য সকলো ৰক্ষা পৰিব। অভ্যন্তৰীণ বিষয়বোৰত আমি নিজাকৈ সিদ্ধান্ত লোৱাৰ পৰিৱেশ এটা গঢ়ি তোলাৰ প্ৰয়োজন। যি সিদ্ধান্তক কেন্দ্ৰীয় চৰকাৰে জাতীয় স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি গুৰুত্ব দিবলৈ বাধ্য হয়, তেনে জাত্যাভিমানত আমাৰ ৰাজনৈতিক যাত্ৰা পৰিচালিত কৰাৰ সময় এতিয়া যে জোঁৰ পুৰি হাত পালে। নিৰংকুশ সংখ্যাগৰিষ্ঠ চৰকাৰ এখনে সময়-সুযোগ আৰু ক্ষমতা হাতত থাকোঁতে অসমীয়া জাতিক সোণালী ৰক্ষাকৱচ পিন্ধোৱাৰ সুবৰ্ণ সুযোগ হয়তো এৰি নিদিব। সমগ্ৰ অসমীয়াই তাৰে অপেক্ষত দিন-ৰাতি পাৰ কৰিছে। এটা শক্তিশালী জাতি গঢ়ি তোলাত বৰ্তমান চৰকাৰে নিশ্চয় সঠিক বাটৰে আগবাঢ়িব।

লেখক যোৰহাট
মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক,
■ ফ'ন ঃ ৯১০১১-২২৬৩৮

কৰ্মসংস্কৃতিৰ কৰ্মশালাৰ প্ৰয়োজন

কিছুদিনৰ আগৰ কথা। ঘৰৰ একেবাৰে সৰু কাম এটাৰ বাবে টাইলছ মিস্ত্ৰীৰ প্ৰয়োজন হৈছিল। ওচৰৰে দুজনমান মিস্ত্ৰীৰ ফ'ন নম্বৰ লৈ খবৰ কৰিলোঁ। এদিন বোলে ইটো কাম, আনদিনা বোলে সিটো কাম। বহুত আছে। কৰ্মসংস্থাপনৰ ক্ষেত্ৰত চেন্নাইৰ দৰে অসমতো পৰ্যাপ্ত পৰিমাণে ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰাটো অতি প্ৰয়োজনীয়।

এতিয়া চাকৰি বাদ দি ব্যৱসায় আৰু খেতিৰ কথালৈ আহোঁ। অসমৰ